# জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

## • বকো •

# জ্যোতি

**বছৰেকীয়া প্ৰকাশ**

ষষ্ঠদশ সংখ্যা

১৯৯৩-৯৪ চন

তত্বাৱধায়ক ঃ

অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা

সম্পাদক ঃ

বাবুল বড়ো

# সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| অধ্যক্ষ | যতীন্দ্ৰ চন্দ্ৰ নাথ, | সভাপতি |
| অধ্যাপক | বসন্ত কুমাৰ দত্ত, | উপ-সভাপতি |
| অধ্যাপক | মৃগেন্দ্ৰ কুমাৰ শৰ্মা, | তত্ত্বাৱধায়ক |
| অধ্যাপক | লক্ষীকান্ত শৰ্মা, | সদস্য |
| অধ্যাপক | যতীন মেধি, | সদস্য |
| | বাবুল বড়ো, | সম্পাদক |
| | আবিদুৰ ৰহমান, | ছাত্ৰ সদস্য |
| | (সাধাৰণ সম্পাদক) | |

অঙ্গসজ্জা ঃ সম্পাদক আৰু তত্ত্বাৱধায়ক

আলোক চিত্ৰ ঃ ষ্টুডিঅ' ৰূপা, বকো

মুদ্ৰক ঃ জনতা প্ৰেছ, মিৰ্জা

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীবাবুল বড়োৰ দ্বাৰা প্ৰকাশিত আৰু জনতা প্ৰেছ মিৰ্জাত মুদ্ৰিত।

# স্মৃতি অৰ্ঘ্য ঃ


ধৰ্ম্মনি কবি সাহিত্যাচাৰ্য বিনন্দ চন্দ্ৰ বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু 'প্ৰফেচৰ এমেৰিটাছ' চিৰ কুমাৰ ড° ভাদলমুদি ভেংকট ৰাও, যুগজয়ী সংগীত পৰিচালক তথা চলচিত্ৰ জগতত 'আৰ ডি' আৰু বন্ধুমহলত 'পঞ্চম দা' নামেৰে পৰিচিত ৰাহুল দেৱ বৰ্মণ, বিশিষ্ট উদ্যোগপতি জাহাঙ্গীৰ ৰতনজী দাদাভাই টাটা, প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি ৰিচাৰ্ড নিক্সন, অসমৰ মঞ্চ, চলচ্চিত্ৰ, অনাতাঁৰ আৰু দূৰদৰ্শনৰ বৰেণ্য অভিনেতা জীৰেশ্বৰ চক্ৰৱৰ্ত্তী, প্ৰাক্তন শিক্ষাধিকাৰ ৰাজেন্দ্ৰ মোহন গোস্বামী, সাধক শিল্পী পুৰুষোত্তম দাস, য়েমেনৰ ভূতপূৰ্ব ৰাষ্ট্ৰদূত আৰু অসম পুলিচৰ প্ৰাক্তন মহা পৰিদৰ্শক ইমদাদ আলী, খ্যাতনামা কথাছবি প্ৰযোজক আত্মাৰাম, কৃষি বিজ্ঞানী তথা সু-সাহিত্যিক ড° কনক চন্দ্ৰ মহন্ত, বিশিষ্ট চিকিৎসক আৰু সমাজ সেৱী ডাঃ তিলোত্তমা ৰায়চৌধুৰী, অসম সাহিত্য সভাৰ সভাপতি, অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ নিস্বাৰ্থ সেৱক আৰু শিক্ষাবিদ ড° লীলা গগৈ, অসমীয়া সাহিত্যৰ বিশিষ্টা লেখিকা শ্ৰীমতী অণু বৰুৱা, বৰ্ষীয়ান সাংবাদিক তুষাৰ কান্তি ঘোষ, বিশিষ্ট কবি আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ৰাম গগৈ, ভজন সম্ৰাট দেবেন শৰ্মা, স্থল সেনাধ্যক্ষ বিপিন চন্দ্ৰ যোশী, অসমৰ সাহিত্য জগতৰ প্ৰবাদ পুৰুষ, প্ৰথিতযশা সাহিত্যিক আৰু লোক-সংস্কৃতিবিদ ড° প্ৰফুল্ল দত্ত গোস্বামী, প্ৰাক্তন ৰাষ্ট্ৰপতি গিয়ানী জাইল সিং, প্ৰখ্যাত গান্ধীবাদী, স্বাধীনতা সংগ্ৰামী আৰু সৰ্বোদয় আন্দোলনৰ অন্যতম পথিকৃতা শ্ৰীমতী অমলপ্ৰভা দাস আৰু বিশিষ্ট চিকিৎসক ডাঃ সুৰেন্দ্ৰ নাথ শৰ্মাৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি অশ্ৰু অঞ্জলি যাচিছোঁ আৰু তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।



আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ

শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ

# সম্পাদনা সমিতি, 'জৱাহৰ জ্যোতি' ১৯৯৩-৯৪ চন



থিয় হৈ : ( বাওঁফালৰ পৰা ) আবিদুৰ ৰহমান, সাধাৰণ সম্পাদক ( ছাত্ৰ সদস্য ). বাবুল বড়ো ( সম্পাদক, জৱাহৰ জ্যোতি ) ।

বহি : ( বাওঁফালৰ পৰা ) অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা ( তত্ত্বাৱধায়ক. জৱাহৰ জ্যোতি' ), অধ্যাপক বসন্ত কুমাৰ দত্ত ( উপ-সভাপতি ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক লক্ষীকান্ত শৰ্মা ( সদস্য ), অধ্যাপক যতীন মেধি ( সদস্য ) ।

'জৱাহৰ জ্যোতি'

ষষ্ঠদশ সংখ্যা

# অসমীয়া শাখা


| ॥ বিষয় ॥ | ॥ পৃষ্ঠা ॥ | ॥ লেখক-লেখিকা ॥ |
|---|---|---|
| সম্পাদকীয়— | : ক : | |
| **: প্ৰবন্ধ :** | | |
| মেডাম কুঁৰী—এগৰাকী অসাধাৰণ বিজ্ঞানী | : ১ : | হেমৰাজ শৰ্মা |
| দক্ষিণ-পূব এছীয়াৰ এখন সৰু দেশ—টাইৱান | : ৫ : | ভুৱনেশ্বৰী বৈশ্য |
| পাতিৰাভা সমাজত লোকবিশ্বাস | : ৮ : | ৰণিত ৰাভা |
| অসমৰ মাৰ্গীয় সংস্কৃতি | : ১১ : | কমলেশ্বৰ ঠাকুৰীয়া |
| সফল বক্তা কেনেকৈ হ'ব পাৰি | : ১৬ : | ৰাজীৱ কুমাৰ বায়ন |
| **: কবিতা :** | | |
| গোপন বেদনা | : ২১ : | সত্যশঙ্কৰ নাথ |
| প্ৰেমময়তা | : ২২ : | মুক্তিনাথ বড়ো |
| মাছৰ দিনবোৰ | : ২২ : | আব্দুল আউৱাল |
| কবিতাৰ পট বিচাৰি | : ২৩ : | হেমন্ত মহন্ত |
| মোৰ কবিতাৰ উৎস | : ২৩ : | আবিদুৰ ৰহমান |
| বিবৰ্ণ বৃদ্ধৰ দৰে | : ২৪ : | বসন্ত কুমাৰ দত্ত |
| পোহনীয়া কুকুৰটো | : ২৫ : | ৰবীন ৰাভা |
| এনে এক যৌৱন লাগে | : ২৫ : | ফণীধৰ বৈশ্য |
| আজন্মৰ সহচৰ | : ২৬ : | জগদীশ ৰাভা |
| এজোপা গছৰ দৰে | : ২৬ : | নিৰঞ্জন মজুমদাৰ |
| আঘাতৰ পিছতো জীয়াই থাকোঁ | : ২৭ : | অৰুণ চন্দ্ৰ বড়ো |
| প্ৰেম | : ২৭ : | সবিন কুমাৰ বৈশ্য |

| ॥ বিষয় ॥ | ॥ পৃষ্ঠা ॥ | ॥ লেখক-লেখিকা ॥ |
|---|---|---|
| অকণি জোনাক | : ২৮ : | দেৱীৰাম বড়ো |
| স্বপ্নময়ী বাস্তৱ | : ২৮ : | বাবুল বড়ো |
| পেট | : ২৯ : | দীপক দাস |
| গান্ধাৰীৰ অভিশাপ | : ৩০ : | মূল : ধৰ্মবীৰ ভাৰতী<br>অনুবাদ : মিচ্ তুলিকা বড়ো |
| : গল্প : | | |
| অভিযান | : ৩১ : | মুক্তিনাথ বড়ো |
| আশা-নিৰাশা | : ৩৪ : | সত্য শংকৰ নাথ |
| ভিন্ন সময় | : ৩৭ : | জগদীশ ৰাভা |
| এখন চিঠি | : ৪০ : | বিপুল বৈশ্য |
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | : ৪৩ : | |
| ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফল | : ৬১ : | |

# সম্পাদকীয়

সাহিত্য জাতিৰ দাপোণ স্বৰূপ। দাপোণত মুখখন প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যতো কোনো জাতিৰ আচাৰ-ব্যৱহাৰ, কৃষ্টি, সংস্কৃতি আৰু সভ্যতাৰ ছবিখন ওলাই পৰে। সেয়ে সাহিত্য জাতিৰ অমূল্য সম্পদ। এই সাহিত্য সাধনা আৰু চৰ্চা অবিহনে সৃষ্টি কৰা বা তাৰ সৌষ্ঠৱ বঢ়োৱা অসম্ভৱ। উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ সাধনা আৰু চৰ্চা থকা নিতান্ত আৱশ্যক। কোৱা বাহুল্য যে উচ্চ শিক্ষা লাভাৰ্থে ছাত্ৰ-ছাত্ৰীসকলে কলেজলৈ পঢ়িবলৈ আহে। অধ্যয়নৰ লগতে তেওঁলোকৰ মনত সাহিত্যৰ প্ৰতি ধাউতি আৰু প্ৰেৰণা যোগোৱা কলেজৰ আলোচনীখনৰ মূল উদ্দেশ্য। লগতে তেওঁলোকে তেওঁলোকৰ উৎকৃষ্ট লিখনিৰ যোগেদি সাহিত্য চৰ্চা কৰি ভৱিষ্যতে একো একোজন সাহিত্যিক হিচাপে নিজক প্ৰতিষ্ঠিত কৰাৰ অনুপ্ৰেৰণা যোগোৱাও আলোচনীখনৰ মূলমন্ত্ৰ। সেয়ে শিক্ষানুষ্ঠান এখনৰ মুখপত্ৰ প্ৰকাশ কৰাৰ এক মহৎ উদ্দেশ্য আছে। এই উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি ন-লেখাৰুসকলে প্ৰবন্ধপাতি লিখিবলৈ কাপ হাতত লোৱা উচিত। কিন্তু পৰিলক্ষিত হৈছে যে লেখক-লেখিকাৰ বেছিভাগে এই উদ্দেশ্যৰ প্ৰতি সচেতন নহয়। ফলস্বৰূপে প্ৰবন্ধপাতিৰ বেছিভাগে আলোচনীত প্ৰকাশৰ কাৰণে উপযোগী নহয়। আনহাতে এখন উচ্চ মানবিশিষ্ট আলোচনী ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীৰ হাতত তুলি দিয়াৰ সৎ ইচ্ছা থকা সম্পাদকজনেও বিগোৰত পৰে। তেওঁৰ ৰঙীন কল্পনা, কল্পনা হৈয়ে থাকে। গতিকে সাহিত্য চৰ্চাত নিষ্ঠা আৰু সাধনা লাগে। উল্লেখযোগ্য যে খৰধৰকৈ লিখা তথা সস্তীয়া গল্প, প্ৰবন্ধ, কবিতা আদি লিখি সাহিত্য সৃষ্টি কৰিবলৈ যোৱা মানে বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে হয়।

আশা কৰোঁ, লেখক-লেখিকাসকলে আলোচনী প্ৰকাশৰ মহৎ উদ্দেশ্য আগত ৰাখি প্ৰবন্ধ পাতি লিখিবলৈ যত্নশীল হ'ব।

ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভৱিষ্যৎ। সমাজ তথা দেশক প্ৰগতিৰ পথত আগবঢ়াই লৈ যোৱাৰ গধুৰ দায়িত্ব ভৱিষ্যতে তেওঁলোকৰ ওপৰতে পৰিব। এই দায়িত্ব পালন কৰিবলৈ হলে ছাত্ৰাৱস্থাতে তেওঁলোক অধ্যয়নশীল হ'ব লাগে আৰু অধ্যয়নৰ যোগেদি বিভিন্ন বিষয়ত জ্ঞান আহৰণ কৰিব লাগে। অপৰিপক্ক জ্ঞানেৰে সমাজ বা দেশ সেৱা কৰিবলৈ যোৱা নিৰৰ্থক। আনহাতে দেশ এখনক অন্যায় অবিচাৰ, সন্ত্ৰাসবাদ, দুৰ্নীতি কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰপৰা মুক্ত কৰিবলৈ স্বাধীন দেশৰ নাগৰিক হিচাপে সকলোৰে কৰ্তব্য। স্বীকাৰ্য্য যে আমাৰ দেশখন বৰ্তমানে প্ৰধানকৈ দুৰ্নীতি আৰু সন্ত্ৰাসবাদৰ কৰাল গ্ৰাসত পৰিছে। দুৰ্নীতিপৰায়ণ আৰু সন্ত্ৰাসবাদীৰ অসৎ কাৰ্যৰপৰা দেশখনক মুক্ত কৰিবলৈ ছাত্ৰ-ছাত্ৰীকে ধৰি সকলো নাগৰিকৰে কৰ্তব্য।

উল্লেখনীয় যে বৰ্তমান যুগত বেছিভাগ মানুহে আত্মকেন্দ্ৰিক হৈ পৰিছে। সমাজ বা দেশৰ কল্যাণ আৰু উন্নতিৰ হকে চিন্তা কৰাৰ অৱকাশ তেওঁলোকৰ নাই। আনহাতে জীৱিকাৰ মানদণ্ড উন্নত কৰাত সকলোৰে মনত প্ৰতিযোগিতাৰ মনোবৃত্তিয়ে ঠাই লৈছে। আনকি সততা, নিষ্ঠা, কৰ্তব্যপৰায়ণতা, ন্যায়পৰায়ণতা, অহিংসা আদি মানবীয় গুণসমূহৰ পৰিৱৰ্তে আমাৰ সমাজত হিংসা, খিয়াল, কুনীতি, কুভাৱ আদি কু-প্ৰবৃত্তি সমূহে বিৰাজ কৰিছে। এনেস্থলত সমাজ তথা দেশ প্ৰগতিৰ পথত আগবাঢ়িব যে নোৱাৰে—ই ধুৰুপ। এইখিনিতে মনকৰিবলগীয়া কথা এয়ে যে জাপানী সকলে আজি জগতত শ্ৰেষ্ঠ সন্মান লাভ কৰিছে একমাত্ৰ কৰ্মনিষ্ঠা, সময়-নিষ্ঠা, শ্ৰম, কৰ্তব্যপৰায়ণতা আদিৰ যোগেদিহে। গতিকে সমাজ তথা দেশৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিব পাৰি যদি দেশৰ প্ৰতিজন নাগৰিকে তেনে আৰ্হি অনুকৰণ কৰি নিজৰ কৰিবলগীয়া কামত আত্মনিয়োগ কৰে।

শিক্ষানুষ্ঠান সমূহত শৈক্ষিক পৰিবেশ এটি থকা নিতান্ত প্ৰয়োজন। এটা সুস্থ বাতাৱৰণতহে শিক্ষা লাভ বা জ্ঞান অৰ্জন কৰা সম্ভৱপৰ হৈ উঠে। ইয়াৰ অবিহনে শ্ৰেণীসমূহত পাঠদান, শিক্ষালাভ, ছাত্ৰ-ছাত্ৰীৰ

নিয়মীয়া উপস্থিতি, অধ্যয়ন আদি ব্যাঘাতপ্ৰাপ্ত হয়। উল্লেখযোগ্য যে বৰ্তমানে শিক্ষানুষ্ঠানসমূহত শৈক্ষিক পৰিৱেশ নথকা বুলি অভিযোগ উঠিছে। আনহাতে আমাৰ শিক্ষাব্যৱস্থাতো কেৰোণ নথকা নহয়। এই শিক্ষাব্যৱস্থাৰ শুধৰণী হোৱা প্ৰয়োজন। প্ৰকৃত শিক্ষাব্যৱস্থাতহে শিক্ষাৰ পৰিবেশ এটি গঢ় লৈ উঠে। শিক্ষাব্যৱস্থা এনে হ'ব লাগে যাতে ই ছাত্ৰ-ছাত্ৰীক জ্ঞানী, কৰ্তব্যপৰায়ণ, দায়িত্বশীল, অধ্যয়নশীল, আত্মসচেতন, সমাজ সচেতন আদি কৰি দেশৰ প্ৰকৃত নাগৰিক কৰি তোলাত সহায় কৰে। উচ্চ শিক্ষাৰ এই দিশটো চালি-জাৰি চোৱা নিতান্ত প্ৰয়োজন।

জীৱ মাত্ৰেই স্বাধীনতা প্ৰিয়। জীৱশ্ৰেষ্ঠ মানুহো স্বাধীনতা প্ৰিয়। দাসত্ব, শোষণ, বৰ্ণবৈষম্য, নিপীড়ন আদি মানুহৰ কাৰণে স্বাভাৱিকতে অসহনীয়। সেয়ে যুগে যুগে মানুহে এইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি জপিয়াই পৰিছে মুক্তি সংগ্ৰামত। বুৰঞ্জীয়ে তাৰ উদাহৰণ দাঙি ধৰে। কেইবাশতিকাজুৰি দক্ষিণ আফ্ৰিকাত চলি থকা বৰ্ণবৈষম্য, শোষণ, নিপীড়ন আদিৰ যৱনিকা পেলাই কৃষ্ণাঙ্গসকলে তেওঁলোকৰ জীৱনজোৰা সংগ্ৰামৰ বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। দেশখনত অনুষ্ঠিত হোৱা বৰ্ণবৈষম্যহীন নিৰ্বাচনত 'আফ্ৰিকান নেচনেল্ কংগ্ৰেছে' সংখ্যাগৰিষ্ঠ ভোট পাই জাতীয় চৰকাৰ গঠন কৰিছে। কৃষ্ণাঙ্গনেতা নেল্চন্ মাণ্ডেলাৰ নেতৃত্বত দেশখনে এক নতুন যাত্ৰা আৰম্ভ কৰিছে। কৃষ্ণাঙ্গ-সকলৰ মুক্তি সংগ্ৰামৰ বিজয়ক্ষণত জগতৰ কোটি কোটি জনতাই তেওঁলোকলৈ অভিনন্দন জ্ঞাপন কৰিছে। তেওঁলোকৰ মুক্তি সংগ্ৰামৰ জ্বলন্ত প্ৰতীকস্বৰূপ নেল্চন্ মাণ্ডেলালৈ আমাৰ অভিনন্দন থাকিল। দৰিদ্ৰতা, নিপীড়ন আৰু বেকাৰত্বৰ চৰম পৰ্য্যায়ত দেশখনৰ কৃষ্ণাঙ্গসকলে দিন অতি-বাহিত কৰিব লাগিছিল। সেয়ে নেল্চন্ মাণ্ডেলাৰ সন্মুখত আহি পৰিছে এক প্ৰত্যাহ্বান। জনগণৰ আশা-আকাঙ্ক্ষাক বাস্তৱ ৰূপ দিয়াত সমৰ্থ হওক নেল্চন্ মাণ্ডেলা—এয়ে সকলোৰে কামনা।

শেষত যুৱ মানসিকতাৰ বিষয়ে দু-আষাৰ কব লাগিব। স্বীকাৰ্য যে আজিৰ যুৱ সমাজত একপ্ৰকাৰ চাঞ্চল্য আৰু অস্থিৰতাৰ ভাব পৰিলক্ষিত হৈছে। যুৱক-যুৱতীসকলে খুব সম্ভৱ দেখিছে যে আমাৰ প্ৰচলিত সমাজ

ব্যৱস্থাটো এক প্ৰহসন। এই ব্যৱস্থাত শিক্ষা বা ডিগ্ৰীৰ মূল্য কমিছে। আনহাতে নিবনুৱা সমস্যাও দিনক দিনে বাঢ়ি গৈ আছে। বিভিন্ন কাৰণত এই সমস্যাৰ সমাধান হোৱা নাই। ফলত যুৱ সমাজত এক অস্থিৰতা আৰু নৈৰাশ্যৰ ভাবে দেখা দিছে। মুঠতে কুটিল ৰাজনীতি, দুৰ্নীতি, নিবনুৱা সমস্যা আদিয়ে যুৱ সমাজক সম্পূৰ্ণৰূপে হতাশ কৰি তুলিছে। গতিকে জনগণৰ দৃষ্টিভঙ্গী আৰু মূল্যবোধৰ পৰিবৰ্ত্তন হোৱা বাঞ্ছনীয়। আনহাতে যুৱসমাজে হতাশ নহৈ পৰিকল্পিতভাবে গঠনমূলক কাৰ্যক্ৰম লৈ নিজক সু-পৰিচালিত কৰক। সমাজ বিৰোধী আৰু দেশৰ অকল্যাণ মূলক কাৰ্যৰপৰা দেশখনক মুক্ত কৰি প্ৰগতিৰ পথত আগবঢ়াই লৈ যোৱা সকলো নাগৰিকৰে কৰ্ত্তব্য। যুৱ শক্তিয়ে এই ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাওক—ইয়ে আমাৰ কামনা।

ঃ☆ঃ

# নৱাগত আদৰণী সভাৰ ৰেঙণি



মুখ্য অতিথি হিচাপে ভাষণৰত অৱস্থাত কটন
মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ
অধ্যাপক ড° কুলেন্দু পাঠক



ভাষণ দি থকা অৱস্থাত কটন মহাবিদ্যালয়ৰ
অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী
অধ্যাপিকা শ্ৰীযুতা ভুবনেশ্বৰী বৈশ্য

# ১৯৯৩-৯৪ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে অনুষ্ঠিত বঁটা-বিতৰণী সভাৰ ৰেঙণি



বঁটা-বিতৰণী সভাৰ আগমুহূৰ্ত্তত মহা-বিদ্যালয়ৰ অধ্যক্ষ মাননীয় যতীন্দ্ৰ চন্দ্ৰ নাথৰ লগত আমন্ত্ৰিত অতিথিদ্বয় মাননীয় প্ৰাক্তন অধ্যাপক তথা সংসদ সদস্য অজিত কুমাৰ শৰ্মা আৰু কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা মাননীয়া ভুৱনেশ্বৰী বৈশ্য।



বঁটা-বিতৰণী সভাত উপস্থিত থকা অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু আন সুধীবৃন্দৰ লগত সভাপতি মাননীয় অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু মুখ্য অতিথিদ্বয় মাননীয় অজিত কুমাৰ শৰ্মা আৰু মাননীয়া ভুৱনেশ্বৰী বৈশ্য।

**প্ৰবন্ধ**

# মেডাম কুঁৰী : এগৰাকী অসাধাৰণ বিজ্ঞানী

**হেমৰাজ শৰ্মা**

স্নাতক, প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

বিজ্ঞানত দুবাৰকৈ ন'বেল বঁটা লাভ কৰোঁতা, ৰেডিয়ামৰ আৱিষ্কাৰক তথা বিজ্ঞান জগতত অনবদ্য অৱদান আগবঢ়াই এক স্বকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা বিশিষ্ট মহিলা বিজ্ঞানী মেডাম কুঁৰীৰ জীৱনী বিশ্বৰ চিন্তাশীল লোকসকলৰ বাবে সঁচাকৈ এক বিস্ময়—এক পৰম কৌতূহলৰ বিষয়। ১৮৬৭ খৃঃৰ ৭ নৱেম্বৰত পোলেণ্ডৰ এটি শিক্ষক পৰিয়ালত জন্ম গ্ৰহণ কৰা মেডাম কুঁৰীৰ সৰুকালৰ নাম আছিল চেনীয়া স্কোল্‌দোভস্কাৰ। তেওঁৰ মাক-দেউতাক উভয়ে একেখন স্কুলতে শিক্ষকতা কৰিছিল। কিন্তু মাকে যক্ষ্মাৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। মাকৰ মৃত্যুত মেডাম কুঁৰীৰ জীৱনলৈ ধুমুহা নামি আহিছিল যদিও এই ধুমুহাই তেওঁৰ জীৱনৰ গতি ৰুদ্ধ কৰিব পৰা নাছিল। এখন হাঁহিভৰা মুখ আৰু এটি সুন্দৰ স্বাস্থ্যেৰে সৈতে মেডাম কুঁৰী সৰুৰে পৰাই নম্ৰ, বিনয়ী আৰু কঠোৰ পৰিশ্ৰমী আছিল। মাকৰ মৃত্যুৰ পাচত কিছুদিনৰ বাবে তেওঁ শিক্ষকতাৰ কাম কৰিবলৈ লৈছিল যদিও তেওঁৰ মনত উচ্চ শিক্ষা লাভৰ প্ৰবল হেঁপাহ এটি আছিল। সেয়ে উচ্চ শিক্ষা লাভৰ অদম্য হেঁপাহ বুকুত বান্ধি শিক্ষকতাৰ চাকৰি এৰি তেওঁ পেৰিচলৈ যাত্ৰা কৰিলে। দেউতাকে বিদায় সম্ভাষণ জনাই ক'লে, "সোনকালে উভতিবা, খুব খাটিবা, ভাগ্য সুপ্ৰসন্ন হওক।" তেওঁ ১৮৯১ খৃঃৰ নৱেম্বৰ মাহত চৰ্বনেৰ ( Sorboune's ) 'ফেকাল্টি অৱ চায়েন্স'ত ভৰ্ত্তি হ'ল আৰু তেওঁৰ নাম 'মেৰী স্কোল্‌দোভস্কা' ৰাখি ৰেজিষ্টাৰ কৰাই ল'লে। তাত তেওঁ 'আলেকজেন্দ্ৰোভিচ্' জলপানী এটিও লাভ কৰিলে। পেৰিচত তেওঁ বায়েক আৰু ভিনীহিয়েকৰ তত্ত্বাৱধানতে থাকিবলৈ লৈছিল।

পেৰিচত পঢ়ি থকা কালতে ১৮৯৪ খৃঃত তেওঁ পিয়েৰী কুঁৰী নামৰ ডেকা বিজ্ঞানী এজনৰ সান্নিধ্যলৈ অহাৰ সুযোগ পায়। ১৮৫৯ খৃঃত পেৰিচত জন্মগ্ৰহণ কৰা পিয়েৰী কুঁৰীয়ে সেই সময়ত দেউতাক জেক্‌স্ এ চৰ্বনৰে সৈতে পেৰিচৰ গৱেষণাগাৰত কাম কৰিছিল। পিয়েৰী কুঁৰীৰ স্বচ্ছ পদাৰ্থ বিজ্ঞান ( Crystalline Physics )ত খুব ৰাপ আছিল। তেওঁৰ ঐক্যৰ

সূত্র ( Principle of Symmetry ) নামৰ এটি সূত্র প্ৰকাশ কৰি উলিয়ায়। পিয়েৰীৰ এনে কামে দেশ-বিদেশৰ বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰিলে। পিয়েৰী কুঁৰী ইতিমধ্যে মেৰী স্কোলদোভস্কাৰ প্ৰতি আকৰ্ষিত হৈ পৰে আৰু তেওঁৰ ওচৰত বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু মেৰী স্কোলদোভস্কাৰ কাৰণে তেতিয়া ফৰাচী দেশীয় মানুহ এজনক বিয়া কৰাই নিজৰ জ্ঞাতি কুটুম্ব, ভাই ভনী, তথা নিজ দেশ ত্যাগ কৰাটো বৰ সহজ নাছিল। তথাপি তেওঁ সকলো বিচাৰ-বিবেচনা কৰি পিয়েৰীৰ লগত বিবাহ পাশত আবদ্ধ হোৱাটোকে ঠিক কৰিলে আৰু ১৮৯৫ খৃঃত দুয়ো বিবাহ বান্ধোনত আবদ্ধ হ'ল। তেতিয়াৰ পৰা মেৰী স্কোলদোভস্কা 'মেৰী মেডাম কুঁৰী' নামেৰে জনাজাত হ'ল। পিয়েৰীৰ কাৰণে মেৰী আছিল একাধাৰে এগৰাকী বান্ধৱী, ঘৈণীয়েক, প্ৰেমিকা আৰু বিজ্ঞানী। মেৰীয়েও পিয়েৰীয়ে কৰা গৱেষণাগাৰতে কাম কৰিছিল।

১৮৯৭ খৃঃৰ শেষ ভাগত মেৰীয়ে দুটা ডিগ্ৰী লাভ কৰে। এটা আছিল 'ফেলশ্বিপ' আৰু আনটো আছিল 'ডক্টৰেট'। মেৰীয়ে বেকুৰেৰেলৰ ( Becquerel's ) কামৰ পৰা বহুতো উদ্‌গনি পায় আৰু 'ইউৰেনিয়াম ৰশ্মি'ৰ পৰমাণুৰ শক্তি নিৰূপণৰ কাম আৰম্ভ কৰে। এই কামত মেৰীক গিৰীয়েক পিয়েৰী কুঁৰীয়েও সহায় কৰে। পদাৰ্থৰ বিকীৰণ শক্তিৰ পৰীক্ষা কৰিবলৈ ধৰোঁতে ইউৰেনিয়ামৰ বাহিৰে তেওঁৰ জ্ঞাত সকলো ধৰণৰ ৰাসায়নিক পদাৰ্থৰেই তেওঁ পৰীক্ষা কৰে আৰু ইউৰেনিয়াম আৰু থৰিয়াম আদি পদাৰ্থৰ 'ৰেডিঅ' এক্টিভিটি'ৰ বিষয়ে কয়। তেওঁ সকলো ধৰণৰ খনিজাত বস্তু গোটাই লৈ পদাৰ্থ বিজ্ঞান স্কুলৰ গৱেষণাগাৰত সেইবোৰৰ 'ৰেডিঅ' এক্টিভিটি'ৰ পৰীক্ষা চলায়। তেওঁ এই সিদ্ধান্তত উপনীত হয় যে ইউ-ৰেনিয়ামৰ 'ৰেডিঅ' এক্টিভিটি'ৰ বিশেষ তীব্ৰতা নিৰূপণ কৰিবলৈ সেই খনিজাত পদাৰ্থবোৰত পোৱা ইউৰেনিয়াম আৰু থৰিয়ামৰ পৰিমাণ যথেষ্ট নহয় আৰু ইউৰেনিয়াম নতুবা থৰিয়ামতকৈও বেছি শক্তিশালী ৰেডিঅ' এক্টিভ পদাৰ্থ এবিধ আছে। এইবাৰ পিয়েৰী দম্পতি সেই শক্তিশালী ৰেডিঅ' এক্টিভ পদাৰ্থৰ সন্ধানত ব্যস্ত হ'ল। প্ৰথমতে তেওঁলোকে পিট্‌চব্লেণ্ডৰ পৰা পলনিয়াম আৱিষ্কাৰ কৰে। ১৮৯৮ খৃঃৰ ২৬ ডিচেম্বৰত তেওঁলোকে পিট্‌চব্লেণ্ডত আৰু এবিধ ৰাসায়নিক পদাৰ্থ থকা বুলি ঘোষণা কৰিলে। সেই অত্যন্ত বেছি ৰেডিঅ' এক্টিভিটি' থকা পদাৰ্থ বিধৰ নাম হ'ল ৰেডিয়াম। তেওঁলোকৰ লক্ষ্য আছিল বিশুদ্ধ ৰেডিয়াম আৰু পলনিয়াম উলিওৱা। অৱশেষত ১৯০২ খৃঃত মেৰী মেডাম কুঁৰীয়ে এক দশমাংশ ($\frac{1}{10}$) গ্ৰাম বিশুদ্ধ ৰেডিয়াম উলিয়াবলৈ সক্ষম হ'ল। মেৰীৰ এই আৱিষ্কাৰক প্ৰথমে আইন বিজ্ঞানীসকলে বিশ্বাস কৰিবলৈ টান পায় যদিও শেষত সেই অবিচলিত মহিলা বিজ্ঞানী গৰাকীৰ ওচৰত মূৰ দোৱাবলৈ বাধ্য হয়। ১৯০০ খৃঃত পিয়েৰীক জেনেভাত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে নিযুক্তি দিয়া হয় আৰু

মেৰীকো গৱেষণাগাৰত এটা ভাল চাকৰি যচা হয়। কিন্তু চাকৰি কৰি সুখ আনন্দ লাভ কৰাতকৈ গৱেষণাগাৰতে থাকি কষ্টৰ জীৱন-যাপন কৰাতহে তেওঁ অধিক আগ্ৰহী হ'ল।

ফ্ৰান্সৰ গৱেষণাগাৰত আৱিষ্কৃত হোৱা ৰেডিয়ামে অতি সোনকালে অন্যান্য দেশতো প্ৰচাৰ লাভ কৰিলে। ১৯০৩ খৃঃত মেৰীক চৰ্বনেৰ ডক্টৰেট উপাধি দিয়া হয়। পিট্‌চব্লেণ্ডক বিশুদ্ধ কৰি তাৰ পৰা ৰেডিয়াম পৃথক কৰি তাক উৎপাদন কৰিবলৈ এটি নিয়ম তেওঁ উদ্ভাৱন কৰে। পিয়েৰী কুঁৰী আৰু মেৰী কুঁৰী অকল যে ফ্ৰান্সতে সন্মানিত হৈছিল এনে নহয়। অন্যান্য দেশতো তেওঁলোকে সন্মান লাভ কৰিছিল। তেওঁলোক ইংলণ্ডলৈকো আমন্ত্ৰিত হৈছিল আৰু তাত ৰেডিয়ামৰ গুণাৱলীৰ বিষয়ে তেওঁলোকে বিভিন্ন বক্তৃতা প্ৰদান কৰিছিল। ১৯০৩ খৃঃৰ ডিচেম্বৰ মাহত পদাৰ্থ বিজ্ঞানত ন'বেল প্ৰাইজ যুটীয়াভাৱে হেনৰি বেকুৰেৰেল আৰু কুঁৰী দম্পতিক দিয়া হয়। ১৯০৪ খৃঃৰ নৱেম্বৰত মেডাম কুঁৰীক পেৰিচ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ মুখ্যকৰ্মী হিচাপে নিযুক্ত কৰা হয়।

কিন্তু বিধিৰ কি বিপাক! বিজ্ঞানৰ জয়যাত্ৰাৰ ধ্বজাবাহী কুঁৰী দম্পতিৰ ধুনীয়া দাম্পত্য জীৱনত হঠাতে এদিন যতি পৰিল। ১৯০৬ খৃঃৰ এপ্ৰিল মাহৰ ১৯ তাৰিখ বৃহস্পতিবাৰে। সিদিনা দিনৰ ২-৩০ বজাত বিজ্ঞানৰ অধ্যাপক সন্মিলনৰ চাহমেল এখনত যোগ দিবলৈ পিয়েৰী কুঁৰী ৰাওনা হৈছিল। তেওঁ বৰষুণৰ মাজে মাজে গৈ আছিল। হঠাতে ঘোঁৰা গাড়ী এখনে তেওঁক খুন্দিয়ালে আৰু লগে লগে পিয়েৰী কুঁৰীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। পিয়েৰীৰ মৃত্যুত মেৰীয়ে হেৰুৱালে তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ বন্ধুক আৰু পৃথিৱীয়ে হেৰুৱালে এগৰাকী খ্যাতনামা বিজ্ঞানীক।

পিয়েৰীৰ মৃত্যুত মেৰী ম্ৰিয়মান, ক্ষীণ আৰু শেঁতা হৈ পৰিছিল যদিও নিজৰ জীয়েক দুজনীক চোৱা-চিতা কৰাৰ পৰা অন্যান্য দৈনন্দিন কাম-কাজবোৰ তেওঁ আগৰ দৰে চলাই গ'ল। ৭০ বছৰীয়া বৃদ্ধ শহুৰেকেও তেওঁৰ ঘৰ চলোৱাত সহায়-সহযোগিতা আগবঢ়ায়। প্ৰতি ৰাতিপুৱাই তেওঁ গৱেষণাগাৰলৈ গৈছিল। বহুতো গৱেষকে তেওঁৰ তলত কাম কৰি কৃতাৰ্থ হৈছিল। ১৯১১ খৃঃত ৰসায়ন বিদ্যা বিষয়ত তেওঁক দ্বিতীয়বাৰৰ বাবে ন'বেল বঁটা প্ৰদান কৰি সন্মানিত কৰা হয়। উল্লেখযোগ্য যে ১৯১৩ খৃঃত পোলেণ্ডত তেওঁক বিশেষ সন্মান যচা হয়।

১৯১৪ খৃঃত প্ৰথম মহাসমৰৰ দাবানল জ্বলি উঠিছিল। এই মহাসমৰত মেৰীয়ে মিত্ৰপক্ষলৈ আগবঢ়োৱা বৰঙণি কম নাছিল। তেওঁ 'ৰোৰেণ্টগণ' যন্ত্ৰ আৰু 'সৰু কুঁৰী' নামেৰে জনাজাত বেতাৰবাৰ্তা প্ৰেৰক গাড়ীৰে জাৰ্মান বাহিনীৰ বিৰুদ্ধে ফৰাচী বাহিনীক সহায় কৰিছিল। যুদ্ধৰ শেষত পোলেণ্ডৰ পুনৰ জন্ম আৰু স্বাধীনতা দেখি তেওঁ খুব সন্তোষ পাইছিল। যুদ্ধৰ সময়ত গৱেষণাগাৰৰ কাম সাময়িকভাৱে বন্ধ আছিল যদিও তেওঁ পুনৰ গৱেষণাৰ কাম আৰম্ভ কৰে।

মিচেচ্ মেলোনী নামেৰে আমেৰিকাৰ এগৰাকী মহিলাই মেডাম কুঁৰীক লগ পাবলৈ প্ৰায় কুৰি বছৰকাল চেষ্টা চলাইছিল। তেৱেঁই মন্তব্য কৰিছিল যে ৰেডিয়ামৰ ওপৰত আৱিষ্কাৰক মেডাম কুঁৰীৰ বিশেষ অধিকাৰ আছে। তেওঁ আৰু কৈছিল যে ৰেডিয়াম কাৰো নিজা সম্পত্তি নহয়— ই সকলোৰে সম্পত্তি। সেই সময়ত ১ গ্ৰাম ৰেডিয়ামৰ মূল্য আছিল পাঁচ লাখ টকা আৰু ইয়াক কেন্সাৰ বেমাৰ নিৰাময়ত ব্যৱহাৰ কৰা হৈছিল। ১৯২১ খৃঃত তেওঁ আমেৰিকালৈ যায় আৰু তাত তেওঁক বিপুল সন্মান জনোৱা হয়। দেশ-বিদেশত বিপুল সন্মানৰ অধিকাৰী হোৱা মেডাম কুঁৰীয়ে ৰেডিয়ামৰ ওপৰত নিজৰ স্বত্ব ৰাখি বিশ্বৰ আটাইতকৈ ধনী ব্যক্তি হ'ব পাৰিলেহেঁতেন। কিন্তু তেওঁ তেনে কাম নকৰিলে। ১৯২৩ খৃঃত 'কুঁৰী প্ৰতিষ্ঠাপক সন্থা'ই ৰেডিয়াম আৱিষ্কাৰৰ ২৫ তম্ বাৰ্ষিকী পালন কৰে আৰু চৰকাৰে মেডাম কুঁৰীক বছৰি ৪০ হাজাৰ ফ্ৰাংককৈ বৃত্তি এটা দিয়াৰ কথা ঘোষণা কৰে। তেওঁৰ পিচত তেওঁৰ জীয়েক দুজনীকো সেই বৃত্তি ল'বলৈ স্বত্ব দিয়া হয়। তেওঁৰ জীৱনকালৰ শেষৰ ফালে তেওঁ এনিমিয়া ৰোগত আক্ৰান্ত হৈছিল। মৃত্যুৰ কেইদিনমান আগতে তেওঁ 'ৰেডিঅ' এক্টিভিটি' নামৰ কিতাপখন লিখি উলিয়ায়। ১৯৩৪ খৃঃৰ জুলাই মাহত এই গৰাকী অসাধাৰণ বিজ্ঞানীয়ে সেউজীয়া পৃথিৱীৰপৰা চিৰবিদায় মাগিলে। কিন্তু ৰেডিয়ামৰ লগত তেওঁৰ নাম এই পৃথিৱীত অমৰ হৈ থাকিব। মেডাম কুঁৰী হৈ থাকিব বিশ্বৰ সকলোৰে বাবে এক প্ৰেৰণাৰ প্ৰতীক।

"সহায় লৈ" লিখক।

# দক্ষিণ-পূব এছীয়াৰ এখন সৰু দেশ—টাইৱান

ভুৱনেশ্বৰী বৈশ্য
প্ৰাক্তন মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ, কটন মহাবিদ্যালয়

১৯৯৪ চনৰ জুন মাহত দক্ষিণ-পূব এছীয়া ভ্ৰমণৰ সুযোগ পাইছিলোঁ। তেতিয়াই টাইৱান সাম্ৰাজ্যলৈও গৈছিলোঁ।

টাইৱানৰ পুৰণি নাম ফৰ্মোচা। 'ফৰ্মোচা' শব্দটোৰ অৰ্থ হৈছে—'ধুনীয়া দ্বীপ' ( Beautiful Island )। বিদেশী লোকে এই দেশৰ সৌন্দৰ্য্যত মুগ্ধ হৈ এই নাম দিছিল। পৰ্বত-পাহাৰ, গছ-গছনিয়ে কেউদিশে এনেদৰে আৱৰি আছে যে ইয়াক 'সেউজীয়া সৰগ' (Green Heaven) বুলিলেহে বেছি খাপ খাব। ইয়াৰ মাটিকালি ১৩, ৮৯০ বৰ্গ মাইল। উত্তৰা দক্ষিণাকৈ ২৩৫ মাইল আৰু পূবা-পশ্চিমাকৈ মাথো ৯০ মাইল।

পঞ্চদশ শতিকাৰ আগলৈকে ফৰ্মোচাত আদিবাসীসকলে (The Aboriginal Inhabitants ) নিৰ্দ্বিবাদে বাস কৰি আছিল। পিছত চীনদেশৰ লোকে ইয়াৰ উপকূলীয় অঞ্চলসমূহত বাস কৰিবলৈ লয়। ১৬২২ খৃষ্টাব্দত ওলন্দাজসকলেও ফৰ্মোচালৈ গৈ তাত বসতি স্থাপন কৰিবলৈ চেষ্টা কৰিছিল যদিও তেওঁলোক বেছিদিন তিষ্টিব নোৱাৰিলে। এই দ্বীপ চীনা সাম্ৰাজ্যৰ অংশ হিচাপে বহুদিন থকাৰ পিছত ১৮৯৫ চনত ই জাপানৰ অধীনলৈ যায়। ১৯৪৫ চনত দ্বিতীয় মহাযুদ্ধত জাপানৰ পৰাজয় হোৱাত ফৰ্মোচাৰ কিছু অংশ আমেৰিকাই দখল কৰে। পিছলৈ আকৌ ই চীনৰ অধীন হয়।

চীনদেশৰ কুওমিণ্টাং পাৰ্টি নামৰ জাতীয়তাবাদী দলৰ নেতা আছিল চান ইয়াৎ চেন। এওঁৰ পিছত এই দলৰ নেতা হয় চিয়াং কাই শ্বেক। ছিন্ন-ভিন্ন হৈ থকা দেশখনক ঐক্যবদ্ধ কৰাৰ মানসেৰে তেওঁ জাতীয় বাহিনী গঠন কৰি তাৰ সহায়তে হাঙ্কৌ, নানকিং আদি ঠাই দখল কৰে। পিছলৈ ৰাছীয়াৰ অনুগামী কমিউনিষ্টসকলৰ লগত মতানৈক্য হোৱাত দুই দলৰ মাজত সংঘৰ্ষ হয়। কমিউনিষ্টসকলৰ হাতত তিষ্টিব নোৱাৰি চিয়াং কাই শ্বেকে ফৰ্মোচা অৰ্থাৎ টাইৱানলৈ গৈ তাতে আশ্ৰয় লয়। ১৯৪৯ চনত কমিউনিষ্ট চীনাসকলে পিকিঙত জাতীয় চৰকাৰ ( People's Government ) প্ৰতিষ্ঠা কৰে। চিয়াং কাই শ্বেকেও তেওঁৰ অনুগামীসকলৰ

সহায়ত ফৰ্মোচাত, কুৱেময়, মাতচু আদি উপকূলবৰ্ত্তী দ্বীপসমূহ গোটাই 'চীনা সাধাৰণ তন্ত্ৰ' ( Republic of China ) নামেৰে সমান্তৰাল চৰকাৰ এখন প্ৰতিষ্ঠা কৰে। মূল চীন দেশত ( In the Mainland of China ) People's Republic Of China আৰু ফৰ্মোচাত Republic of China নামেৰে প্ৰতিষ্ঠিত দুখন চীনা চৰকাৰৰ ভিতৰত ফৰ্মোচা অৰ্থাৎ টাইৱানকে ( Republic of China ) প্ৰকৃত চীনা চৰকাৰ বুলি জাতি সংঘই ( United Nations ) স্বীকৃতি দিয়ে আৰু নিৰাপত্তা পৰিষদৰ ( Security Council ) সদস্য পদ দিয়ে। পিকিঙত প্ৰতিষ্ঠিত জনতাৰ সাধাৰণতন্ত্ৰ ( People's Republic of China ) চৰকাৰে ফৰ্মোচাৰ কোনো কোনো ঠাইত বোমাবৰ্ষণ কৰি চিয়াং কাই শেকৰ চৰকাৰখন ভাঙি দিবলৈ চেষ্টা কৰিছিল যদিও পিছলৈ সেই চেষ্টা এৰি পেলায়। গতিকে চীন দেশৰ চৰকাৰ হিচাপে মূল চীন দেশত ( In the Mainland of China ) এখন আৰু ফৰ্মোচাত এখন—দুয়োখন চৰকাৰেই চলি থাকিল। চিয়াং কাই শেকে মূল চীন দেশত চৰকাৰ স্থাপন কৰিব নোৱাৰিলেও ফৰ্মোচাত স্থাপিত চৰকাৰখনকে 'চীন সাধাৰণতন্ত্ৰ' ( Republic of China—ROC ) নামেৰে অভিহিত কৰি ভৱিষ্যতে কেতিয়াবা মূল চীনদেশ তেওঁৰ চৰকাৰৰ অধীনলৈ আনিবৰ আশা প্ৰোষণ কৰিয়েই সন্তুষ্ট থাকিল। আজিলৈকে এই দুখন চীনা চৰকাৰ লগলাগি এখন নহ'ল। গতিকে 'ৰিপাব্লিক অৱ চাইনা' নামেৰে, ফৰ্মোচা বা টাইৱানত প্ৰতিষ্ঠিত চৰকাৰখনেৰে টাইৱান আজিও এখন সুকীয়া দেশ হৈয়েই ৰ'ল।

টাইৱান এখন সৰু দেশ হ'লেও ই বৰ্ত্তমান যথেষ্ট উন্নতি কৰিছে। আকাৰত টাইৱান শ্ৰীলঙ্কা দ্বীপৰ আধা, পুৰণি অসম দেশৰ প্ৰায় পাঁচ ভাগৰ এভাগ। কিন্তু এই সৰু দেশখনেই আজি পৃথিৱীৰ ভিতৰতে এখন উন্নত দেশ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। যোৱা কুৰিটা বছৰৰ ভিতৰতে অৰ্থনৈতিকভাবে টাইৱানে যথেষ্ট উন্নতি কৰিছে। দেশখনৰ $\frac{2}{3}$ অংশ পৰ্বত-পাহাৰ, হাবি-বননিৰে আবৰা, মাত্ৰ $\frac{1}{3}$ অংশতহে খেতি-বাতি হয়। কিন্তু সেয়ে হ'লেও এই সৰু দেশখনৰ বিদেশী পুঁজিৰ ( Foreign Reserve ) পৰিমাণ ৮৮,০০০,০০০,০০০,০০০ মাৰ্কিন ডলাৰ ( 88 Billion American Dollar )। আধুনিক টাইৱানে ব্যৱসায়ী জাতি হিচাপে ( Trading Nation ) পৃথিৱীৰ ভিতৰত ত্ৰয়োদশ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ১৯৯৩ চনত টাইৱানে ১৬২ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ অৰ্থ বিনিয়োগ কৰি ব্যৱসায় কৰিছে। ভাৰতবৰ্ষৰ তুলনাত নগণ্য আকৃতিৰ এই দেশখনে আৰ্থিক দিশত চমৎকাৰিত্বৰ সৃষ্টি কৰিছে।

টাইৱানৰ মাটিকালিৰ এক তৃতীয়াংশহে খেতিৰ উপযোগী। ইয়াৰ প্ৰধান কৃষিজাত দ্ৰব্য হৈছে ধান। ইয়াত বছৰত দুটাকৈ খেতি চপোৱা হয়। টাইৱানৰ এখন সৰু প্ৰদেশ

টাইচুং অঞ্চলত উৎপন্ন হোৱা ধানে টাইচুং খেতি হিচাপে আমাৰ দেশতো জনাজাত হৈছে। ধানৰ উপৰি চাহপাত, চিত্ৰনেলা, চেনি আৰু গ্ৰীষ্মমণ্ডলীয় নানা ধৰণৰ ফল-মূল টাইৱানত প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। ইয়াৰ উপৰি কয়লা, গন্ধক, সোণ আৰু ৰূপৰ খনিও এই দেশত আছে। উৎপন্ন দ্ৰব্য বা প্ৰাকৃতিক সম্পদত আমাৰ ভাৰতবৰ্ষও যথেষ্ট সম্পদশালী, তথাপি ভাৰতে টাইৱানৰ দৰে উন্নতি কৰিব পৰা নাই। ভাৰতৰ জনমুৰি আয় আজি স্বাধীনতা লাভৰ ৪৭ বছৰ পিছতো অতি নগণ্য। কিন্তু টাইৱানৰ অৰ্থনৈতিক অৱস্থা ইমানেই ভাল যে ৫৫০ লাখ মাৰ্কিন ডলাৰ অৰ্থাৎ ১৭৬০০০০০০০ লাখ টকা ফিলিপাইন আদি দেশক ঋণ হিচাপে আগবঢ়াবলৈ সক্ষম হৈছে। বিদেশী ঋণৰ ওপৰত চলি থকা আমাৰ ভাৰতবৰ্ষৰ কাৰণে এইবোৰ ভাবিব নোৱাৰা কথা।

এই সকলোবোৰৰ মূলতে হৈছে টাইৱানবাসীসকলৰ দেশপ্ৰেম, কৰ্মস্পৃহা, সততা আৰু আন্তৰিকতা। সকলো কামতে টাইৱানবাসীসকলৰ আছে একাগ্ৰতা। তেওঁলোকৰ ব্যৱহাৰ আৰু কথা-বতৰাতে তাৰ উমান পোৱা যায়। কামত ফাকি দিয়া বা গাফিলি কৰা আদি কথা টাইৱানবাসীয়ে নেজানে। তেওঁলোকৰ সহৃদয়তা আৰু আন্তৰিকতাৰ এটা সৰু উদাহৰণ দিওঁ। টাইৱানৰ ৰাজধানী 'টাইপে'ত আমি এটা হোটেলত আছিলোঁ। তাৰ পৰা উভতি আহোঁতে আমাৰ ৰাস্তা ভুল হ'ল। বহুত ঘূৰি-পকিও আমি আমাৰ হোটেলটো বিচাৰি উলিয়াব পৰা নাছিলোঁ। উপায় নেপাই আমি বাটৰুৱা এজনক হোটেলৰ কাৰ্ডখন দেখুৱাই আকাৰে-ইঙ্গিতে সুধিলোঁ। তেওঁ আমাক লগত লৈ একেবাৰে হোটেলৰ দুৱাৰ মুখত থৈ গ'ল। অন্যান্য ক্ষেত্ৰতো দেখিলোঁ—কিবা এটা সুধিলে তেওঁলোকে অতি আগ্ৰহেৰে আৰু অতি আন্তৰিকতাৰে বুজাই দিয়ে নাইবা যি কোনো ধৰণে সহায় কৰে।

টাইৱানবাসীৰ আন্তৰিকতা, কৰ্মস্পৃহা আৰু সৰ্বোপৰি তেওঁলোকৰ দেশপ্ৰেমৰ কাৰণেই এই সৰু দেশখনেই আজি উদ্যোগৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰতে এখন আগশাৰীৰ দেশৰূপে স্বীকৃতি লাভ কৰিছে। টাইৱানত উৎপন্ন হোৱা প্লাষ্টিকৰ বস্তুৰ পৰা আৰম্ভ কৰি ইলেক্ট্ৰনিকচৰ বস্তু, কম্পিউটাৰ, ছফটৱেৰ, চেটেলাইট ট্ৰেঞ্চমিটাৰ আৰু নানা ধৰণৰ ঔদ্যোগিক যন্ত্ৰ-পাতি আদি আজি পৃথিৱীৰ উন্নত দেশসমূহলৈও ৰপ্তানি হয়। উন্নতমানৰ সামগ্ৰী হিচাপে টাইৱানত উৎপন্ন হোৱা বস্তুৰ এটা বিশেষ নাম আছে। আন্তৰ্জাতিক বজাৰত ইয়াৰ বিশেষ চাহিদা আছে। আমেৰিকা, ৰাছীয়া নাইবা জাপানৰ লগত ফেৰ মাৰিব পৰা ধৰণৰ অৰ্থনৈতিক উন্নতি কৰিবলৈ টাইৱানক আৱশ্যক হৈছিল মাত্ৰ কুৰিটা বছৰ।

এখন উন্নত ভাৰত গঢ়ি তোলাত আমি টাইৱানবাসীৰ আদৰ্শ ল'ব নোৱাৰোঁ নে? ★

---

আমাৰ অনুৰোধক্ৰমে মাননীয়া ভুৱনেশ্বৰী বৈশ্যই প্ৰবন্ধটি 'জৱাহৰ জ্যোতি'ত প্ৰকাশৰ কাৰণে আমালৈ লিখি পঠিওৱাত তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ। ঃ সম্পাদক